# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time:** 0900 Hrs

## *Assamese Morning Bulletin*
## *HEADLINES*

*- - - - - - - - - - - - - -*

১। এক্ট ইষ্ট নীতিৰ ফলত দক্ষিণ-পূব এছিয়াৰ দেশৰ সৈতে ভাৰতৰ সম্পৰ্ক উন্নীত হোৱা বুলি বিধানসভাত ৰাজ্য চৰকাৰৰ প্ৰকাশ।

২। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে কমেও ১ লাখ কোটি টকা বিনিয়োগৰ আশা।

৩। যোৱা দশকত উত্তৰ-পূবত হিংসাত্মক ঘটনা ৭০ শতাংশ হ্ৰাস।

৪। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইন ৰূপহী হাটত আক্ৰমণৰ সন্মুখীন।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত জয়েৰে অভিযান আৰম্ভ ভাৰতৰ।

ooooo

এক্ট ইষ্ট নীতিৰ জৰিয়তে ভাৰতে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত নিজৰ সম্পৰ্ক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰিবলৈ সমৰ্থ হৈছে। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কালি তৃতীয় দিনা এই সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয়, যে এই দেশসমূহৰ সৈতে সংযোগৰ ক্ষেত্ৰত অৰ্থনৈতিক পদক্ষেপ হিচাপে প্ৰথমে পৰিকল্পনা কৰা এক্ট ইষ্ট নীতিয়ে আলোচনা আৰু সহযোগিতাৰ বাবে প্ৰতিষ্ঠানিক ব্যৱস্থা স্থাপনকে ধৰি ৰাজনৈতিক, কৌশলগত আৰু সাংস্কৃতিক মাত্ৰা লাভ কৰিছে। ফলস্বৰূপে ইণ্ডোনেছিয়া, ভিয়েটনাম, মালয়েছিয়া, জাপান, ৰিপ্লাৱিক অব কোৰিয়া, অষ্ট্ৰেলিয়া, ছিংগাপুৰ আৰু আছিয়ান দেশসমূহৰ সৈতে কৌশলগত অংশীদাৰিত্ব লৈ ভাৰতে নিজৰ সম্পৰ্ক উন্নীত কৰাৰ লগতে যোগাযোগৰ সু-ব্যৱস্থা গঢ়ি তুলিছে। শ্ৰীপাটোৱাৰীয়ে লগতে ভাৰত, ম্যানমাৰ আৰু থাইলেণ্ডৰ মাজৰ ত্ৰিপাক্ষিক ঘাইপথৰ দ্বাৰা পথ-বাণিজ্য আৰু চলাচলৰ সুবিধান প্ৰদান, মিজোৰামক ম্যানমাৰৰ চিট্টৱে বন্দৰৰ সৈতে আভ্যন্তৰীন জলপথ আৰু পথ পৰিবহণৰ সৈতে সংযোগ কৰা, আগৰতলা-আখৌৰা ৰে'লপথ সংযোগৰ দ্বাৰা অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰা আদিৰ দৰে প্ৰকল্পসমূহৰ বিষয়েও উল্লেখ কৰে। তদুপৰি উত্তৰ-পূবত ঔদ্যোগিক কৰিডৰ স্থাপনৰ বিষয়টো গ্ৰহণ কৰা সন্দৰ্ভত ৰাষ্ট্ৰীয় ঔদ্যোগক কৰিডৰ উন্নয়ন আৰু ৰূপায়ণ ন্যাসৰ শেহতীয়া বৈঠকত ডাউকী, গুৱাহাটী আৰু মোহে সংযোগৰ প্ৰস্তাৱ অনুকূলভাৱে বিবেচনা কৰা বুলিও তেওঁ অৱগত কৰে।

ooooo

বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে কমেও ১ লাখ কোটি টকা বিনিয়োগৰ আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জনতা ভৱনত এখন সংবাদ মেলত এই কথা সদৰি কৰি কয় যে বৰ্তমানলৈকে প্ৰায় এহেজাৰ ৫১২খন বুজাবুজি চুক্তিৰ প্ৰস্তাৱ আহিছে। তেওঁ কয় যে চৰকাৰে এইবাৰ বাস্তৱসন্মত বুজিবুজিৰ চুক্তিহে স্বাক্ষৰ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সংশ্লিষ্ট বিভাগসমূহে প্ৰস্তাৱসমূহ চালি-জাৰি চাই আছে আৰু অহা ২৩ ফেব্ৰুৱাৰীত হ'বলগীয়া মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰি এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। মন্ত্ৰীসভাই অনুমোদন জনোৱা বুজাবুজি চুক্তিবোৰহে স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখমন্ত্ৰীগৰাকীয়ে কয়, যে এই এহেজাৰ ৫১২খন বুজাবুজি চুক্তিৰ প্ৰস্তাৱৰ উপৰি ৰাজ্যৰ বিভিন্ন উদ্যোগীয়ে প্ৰায় ১২ হাজাৰ কোটি টকাৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰস্তাৱ দিছে। আজিম প্ৰেমজী ফাউণ্ডেশ্যনে ৰাজ্যত এখন বিশ্ববিদ্যালয় আৰু বেদান্ত গ্ৰুপে এখন চিকিৎসালয় স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলি উল্লেখ কৰি ড০ শৰ্মাই সন্মিলনত দেশৰ প্ৰসিদ্ধ উদ্যোগপতিসকলে নিজ নিজ বিনিয়োগৰ বিষয়ে ঘোষণা কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বৈদেশিক বিনিয়োগ সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভূটান, জাপান, ছিংগাপুৰ, থাইলেণ্ড আৰু দক্ষিণ কোৰিয়াৰ প্ৰতিনিধি দলে এই বিনিয়োগ সন্মিলনত অংশগ্ৰহণ কৰিব। ভূটানৰ দলটোক দেশখনৰ কৃষিমন্ত্ৰীয়ে নেতৃত্ব দিব। মালয়েছিয়াৰ এটা প্ৰতিনিধিৰ দলেও সন্মিলনত ভাগ লোৱাৰ সম্ভাৱনা আছে। এই সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ৩৫খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকল আহিব বুলি প্ৰকাশ কৰি ড০ শৰ্মাই কয় যে এই সংখ্যা ৫০লৈ বৃদ্ধি হ'ব পাৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত সকলৰ বাবে বিশেষ বিমানৰ ব্যৱস্থা কৰিছে। তেওঁলোকে ২৩ ফেব্ৰুৱাৰীত অসমলৈ আহিব আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যাব। ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলে ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীলৈ আহিব আৰু ঝুমুইৰ বিনন্দিনী অনুষ্ঠান উপভোগ কৰিব আৰু ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ অনুষ্ঠানত অংশ ল'ব।

ইপিনে, অষ্ট্ৰেলিয়া আৰু জাৰ্মানীয়ে অসম ভ্ৰমণৰ ক্ষেত্ৰত জাৰি কৰা নিষেধাজ্ঞা বিষয়টো পুনৰীক্ষণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অষ্ট্ৰেলিয়াই ইতিমধ্যে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আফস্পা বলবৎ হৈ থকা উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বাহিৰে ৰাজ্যৰ অন্য অংশ ভ্ৰমণৰ ক্ষেত্ৰত থকা বাধানিষেধ প্ৰত্যাহাৰ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২৫ ফেব্ৰুৱাৰীত বিনিয়োগ সন্মিলনখন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ঝুমুৰ নৃত্য উপভোগ কৰাৰ পাছত সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীত উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত এন ডি এ চৰকাৰৰ সু-শাসন আৰম্ভ হোৱাৰ পাছৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ আইন শৃংখলাৰ পৰিস্থিতি বৃহৎ পৰিৱৰ্তন হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ব্যক্ত কৰিছে। কালি নতুন দিল্লীত অসম ৰাইফলছৰ উদ্যোগত আয়োজিত **একতা উৎসৱ ঃ এটা কণ্ঠ, এখন ৰাষ্ট্ৰ** অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে কয়, যে বিগত ১০ বছৰত উত্তৰ-পূৰত হিংসাত্মক ঘটনা আৰু নিৰাপত্তাৰক্ষীৰ

মৃত্যুৰ হাৰ ৭০ শতাংশ হ্ৰাস পোৱাৰ লগতে সাধাৰণ নাগৰিকৰ মৃত্যুৰ হাৰো ৮৫ শতাংশ হ্ৰাস পাইছে। এই পৰিসংখ্যাই উত্তৰ-পূবলৈ শান্তি ঘূৰি অহা তথা উন্নয়নৰ নতুন যুগ আৰম্ভ হোৱাটো বাস্তৱত প্ৰতিফলিত কৰা বুলি মন্ত্ৰীগৰাকীয়ে লগতে কয়।

তেওঁ কয়, যে ২০১৪ চনৰে পৰা এতিয়ালৈকে উত্তৰ-পূৰ্বাঞ্চলত ১০ হাজাৰ ৫০০ৰো অধিক উগ্ৰপন্থীয়ে অস্ত্ৰ-শস্ত্ৰ সমৰ্পণ কৰি মূলসুঁতিলৈ উভতি আহিছে। তদুপৰি ২০১৯ৰ পৰা ২০২৪ চনৰ ভিতৰত কেন্দ্ৰই উত্তৰ-পূৱত ১২ খন শান্তি চুক্তি স্বাক্ষৰ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে পূৰ্বৰ চৰকাৰৰ উত্তৰ-পূবক লৈ গ্ৰহণ কৰা উদাসীন নীতিক সমালোচনা কৰাৰ লগতে এতিয়া ৩-৪ গুণ বাজেট বৃদ্ধিৰে অঞ্চলটোৰ দ্ৰুত উন্নয়ন তথা যোগাযোগ ব্যৱস্থা অধিক সুচল কৰাৰ কথা উল্লেখ কৰে। ২০২৭ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্য ৰে'ল আৰু বিমান সংযোগৰ জৰিয়তে দিল্লীৰ সৈতে সংযুক্ত হ'ব বুলিও শ্ৰীশ্বাহে কয়।

০০০০০

বিহু আৰু ঝুমুৰৰ পাছতে বাগৰুম্বা নৃত্যৰ অভিলেখ গঢ়াৰ বাবে ৰাজ্য চৰকাৰে চলিত বছৰতে পদক্ষেপ গ্ৰহণ কৰিব। খানাপাৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতিৰ বুজ লৈ সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰে। অসমৰ নৃত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী কৰি দিয়াৰ এই পৰিকল্পনা ব্যক্তি কৰি তেওঁ কয়, যে অহা অক্টোবৰৰ পৰা ডিচেম্বৰৰ ভিতৰত এই কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। ইয়াৰ পিছৰ পৰ্যায়ত ৰাজ্যৰ ১ কোটি লোকক লৈ একেলগে জাতীয় সংগীত পৰিৱেশনৰো পৰিকল্পনা কৰিছে বুলি তেওঁ ব্যক্ত কৰে।

*-বাইট-*

উল্লেখযোগ্য যে, অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হ'ব। ইতিমধ্যে এই অনুষ্ঠানত অংশলোৱাৰ উদ্দেশ্যে চৰাইদেউ, লখিমপুৰ, ডিব্ৰুগড় আদিকে ধৰি বিভিন্ন জিলাৰ পৰা ঝুমুৰ নৃত্যৰ শিল্পীসকল আহি গুৱাহাটীত বাহৰ পাতিছে।

০০০০০

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইন কালি নগাঁও জিলাৰ ৰূপহীহাটত আক্ৰমণৰ সন্মুখীন হয়। মুখত কাপোৰ বান্ধি অহা একাংশ লোকে সাংসদ হুছেইন আৰু তেওঁৰ পুত্ৰ তানজিল হুছেইনক আক্ৰমণ কৰে। দুৰ্বৃত্তৰ দলটোৱে চামগুৰিৰ ছাইদৰিয়াৰ গুণাবাৰীত অনুষ্ঠিত কংগ্ৰেছৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰিবলৈ গৈ থকা অৱস্থাত ৰূপহীহাটৰ নতুন বজাৰত সাংসদগৰাকীৰ স্কুটিখন আগভেটি ধৰে আৰু ৰকিবুল হুছেইন গ' বেক ধ্বনি দিয়ে। দুৰ্বৃত্তৰ দলটোৱে সাংসদ হুছেইন আৰু তেওঁৰ পুত্ৰক বাহনৰ পৰা টনা-আজোৰা কৰি নমাই আনে। দলটোৰ টনা-আজৰাত সাংসদ হুছেইন পথৰ ওপৰত স্কুটিৰ পৰা বাগৰি পৰে। দলটোৱে হুছেইনক ক্ৰিকেট বেট-লাঠিৰে প্ৰহাৰ কৰে। অৱশ্যে মূৰত হেলমেট পৰিধান কৰি থকাৰ বাবে তেওঁ গুৰুতৰ আঘাতৰ পৰা ৰক্ষা পৰে। ঘটনাৰ খবৰ লাভ কৰি নগাঁৰৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই উচ্চপদস্থ বিষয়াক লৈ ঘটনাত উপস্থিত হয়। আৰক্ষী অধীক্ষকগৰাকীয়ে কংগ্ৰেছৰ কৰ্মীসভাখন সুকলমে সম্পন্ন কৰাৰো ব্যৱস্থা লয়।

ইফালে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংসদ ৰকিবুল হুছেইনে চামগুৰিৰ ৰূপহীহাট অঞ্চল ভ্ৰমণ কৰিলে অতিৰিক্ত সুৰক্ষা লাভ কৰিব বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বিধানসভাত সাংসদ হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা সন্দৰ্ভত বিবৃতি দি এইদৰে কয়।

০০০০০

ৰাজ্য চৰকাৰে সমৰ্পিত বিত্তীয় আৱণ্টনৰ জৰিয়তে ৰাজ্যৰ গাঁওসমূহৰ সামগ্ৰীৰ উন্নয়নৰ লক্ষ্যৰে শীঘ্ৰেই কেইবাটাও অভিলাষী আঁচনি গ্ৰহণ কৰিব। চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনত কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা ব্যক্ত কৰে। এই পৰিকল্পনাৰ অংশহিচাপে প্ৰথমেই ৰাজ্যৰ প্ৰতিটো সমষ্টিৰ ৪-৫ খনকৈ গাঁওক ১ কোটি টকাকৈ প্ৰদান কৰাৰ বাবে এইবাৰৰ বাজেটত পুঁজি ধাৰ্য কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইতিমধ্যে প্ৰস্তাৱিত কিন্তু পুঁজিৰ অভাৱৰ বাবে অনুমোদন নোহোৱা এই সিদ্ধান্ত কাৰ্যকৰী হ'লে ৰাজ্যৰ গাঁওসমূহৰ আন্তঃগাঁথনিৰ বিকাশ খৰতকীয়া কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস। ইউনেস্কোৱে ১৯৯১ চনৰ ১৭ নৱেম্বৰত দিয়া প্ৰস্তাৱ অনুসৰি ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২১ ফেব্ৰুৱাৰীৰ দিনটো আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা হিচাপে পালন কৰি অহা হৈছে। এই দিনটোতে পশ্চিম পাকিস্তান চৰকাৰে পূব পাকিস্তান বৰ্তমানৰ বাংলাদেশৰ মাতৃভাষা বাংলাৰ পৰিৱৰ্তে উৰ্দু ভাষা প্ৰচলনৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ গুলীচালনাত ছাত্ৰকৰ্মী শ্বহীদ হৈছিল। এই দিনটোৰ স্মৰণতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা প্ৰস্তাৱ অনুযায়ী ২০০০ চনৰ পৰা ২১ ফেব্ৰুৱাৰীৰ দিনটো আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰা হৈছে।

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত ধ্ৰুপদী অসমীয়া ভাষীসকলৰ লগতে ৰাজ্যৰ অন্যান্য ভাষা-ভাষীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। মন্ত্ৰীগৰাকীয়ে এই বিশেষ দিনটোত ভাৰতৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰতীকৰূপী অগণন ভাষাৰ সংৰক্ষণৰ লগতে মাতৃভাষাক সুদৃঢ় আৰু বিকশিত কৰি তোলাৰ বাবে সংকল্প লবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০

মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা অহা ২৫ ফেব্ৰুৱাৰীলৈকে বিভিন্ন গাঁও পঞ্চায়ত কৃষক পঞ্জীয়ন শিৱিৰ অনুষ্ঠিত হ'ব। কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা লাভ কৰিবপৰাকৈ জিলাখনত কমলাবাৰী, দক্ষিণ কমলাবাৰী, বনগাঁও, কৰতীপাৰ, শ্ৰীলুইত, চিলাকলা, গড়মূৰ, পকাজৰা, জেঙৰাই, চেৰপাই, লুইতপৰীয়া, ৰতনপুৰ মিৰি, শ্ৰীৰাম, ফুলনি আৰু ৰঙাশ্বাহী গাঁও পঞ্চায়তৰ কৃষকসকলৰ বাবে এই শিৱিৰ মুকলি কৰা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট দলে আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। কালি ডুবাইত অনুষ্ঠিত গ্ৰুপ এৰ এখন দিবা-নৈশ খেলত ভাৰতে ৬ উইকেটত বাংলাদেশক পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেটিং কৰা বাংলাদেশে ইনিংছৰ আৰম্ভণিতে ৩৫ ৰানত ৫টা উইকেট হেৰুৱাই শলঠেকত পৰে। কিন্তু তৌহিদ হৃদয়ৰ শতক তথা জাকেৰ আলীৰ ৬৮ ৰানৰ সহায়ত দলে সন্মানজনক স্থিতিত উপনীত হৈ ৪৯ অভাৰ ৪টা বলত ২২৮ ৰান কৰি ইনিংছ সামৰে। ভাৰতৰ হৈ মহম্মদ ছামিয়ে ৫৩ ৰানত ৫টা

আৰু হৰ্ষিত ৰাণাই ৩১ ৰানত তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত সহজ বিজয় লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪৬ অভাৰ ৩টা বলত ৪ উইকেটত ২৩১ ৰান কৰি জয় অৰ্জন কৰে। দলৰ হৈ অপেনাৰ শুভমন গিলে অপৰাজিত ১০১ ৰান কৰাৰ বিপৰীতে ৰোহিত শৰ্মা আৰু কে এল ৰাহুলে ৪১ ৰানকৈ কৰে। গিলক খেলৰ শ্ৰেষ্ঠ খেলুৱৈ ৰূপে ঘোষণা কৰা হয়। ভাৰতে অহা ২৩ ফেব্ৰুৱাৰীত পাকিস্তানৰ বিৰুদ্ধে গ্ৰুপত দ্বিতীয়খন খেলত অংশলোৱাৰ পাছত অহা ২ মাৰ্চত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, চেম্পিয়নছ ট্ৰফী পাকিস্তানত হৈছে যদিও ভাৰতে সকলো খেল ডুবাইতে খেলিব।

০০০০০

ৰাজ্য চৰকাৰে সমৰ্পিত বিত্তীয় আৱণ্টনৰ জৰিয়তে ৰাজ্যৰ গাঁওসমূহৰ সামগ্ৰীৰ উন্নয়নৰ লক্ষ্যৰে শীঘ্ৰেই কেইবাটাও অভিলাষী আঁচনি গ্ৰহণ কৰিব। চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ব্যক্ত কৰে। এই পৰিকল্পনাৰ অংশহিচাপে প্ৰথমেই ৰাজ্যৰ প্ৰতিটো সমষ্টিৰ ৪-৫ খনকৈ গাঁওক ১ কোটি টকাকৈ প্ৰদান কৰাৰ বাবে এইবাৰৰ বাজেটত পুঁজি ধাৰ্য কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইতিমধ্যে প্ৰস্তাৱিত কিন্তু পুঁজিৰ অভাৱৰ বাবে অনুমোদন নোহোৱা এই সিদ্ধান্ত কাৰ্যকৰী হ'লে ৰাজ্যৰ গাঁওসমূহৰ আন্তঃগাঁথনিৰ বিকাশ খৰতকীয়া কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ চৰকাৰৰ তৎপৰতা, অসম বিধানসভাৰ বাজেট অধিবেশন, সাংসদ ৰকিবুল হুছেইনৰ ওপৰত চলা শাৰিৰীক আক্ৰমণ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ চৰকাৰী স্থিতিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন কালি দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে দিন দুপৰতে সাংসদ ৰকিবুলক আক্ৰমণ আৰু দৈনিক অসম কাকতে ৰাজপথত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তৰ আক্ৰমণ, দেহৰক্ষীৰ আগ্নেয়াস্ত্ৰ কাঢ়ি নিয়াৰ বাবে টনা-আজোৰা পুত্ৰকো খেদি খেদি আক্ৰমণ শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমাগত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে অসমত ডেৰ লাখ কোটি টকাৰ বিনিয়োগ হোৱাৰ আশা প্ৰকাশ কৰিছে। অসমীয়া খবৰ, অসমীয়া প্ৰতিদিন আৰু দা ছেণ্টিনেল কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

পাকিস্তানী নাগৰিক আলী তৌকি শ্বেইখৰ ভাৰত ভ্ৰমণ আৰু ইয়াৰ সৈতে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ সম্পৰ্ক থকাৰ প্ৰতিবেদনে ৰাজ্যৰ ৰাজনীতিত যথেষ্ট প্ৰভাৱ পেলাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰোব ৰিপোৰ্ট অন পাক নেশ্যনেল ছুন শিৰোনামেৰে আৰু দা টাইমছ অব ইণ্ডিয়াই পাক নেশ্যনেল ভিজিটেড ইণ্ডিয়া 18 টাইমছ - হিমন্ত ইন এছেম্বলী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিবলগীয়া দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ একাংশ অভিনেতা-অভিনেত্ৰী, পৰিচালক আৰু কলা-কুশলীৰ সৈতে মত বিনিময়ৰ** এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুৱলী পৰাৰ আৰু  দিনৰ ভাগত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ মেঘালয়, মণেপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে অসম, মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ০০০০০০

০০০০০

সমাপ্ত